**দেৱীন্দৰ**

**বনাম**

**হাৰিয়ানা ৰাজ্য**

১৩ ছেপ্টেম্বৰ, ১৯৯৬

[মাননীয় ন্যায়াধীশ এম.কে. মুখাৰ্জী আৰু এছ. পি. কুৰ্দুকাৰ]

ভাৰতীয় দণ্ডবিধি, ১৮৬০– ধাৰা ৩০২:

*ফৌজদাৰী কাৰ্যবিধি, ১৯73ৰ ধাৰা ১৫৭ – সন্দেহৰ লাভালাভৰ বাবে পৰিস্থিতি – আগতীয়া সুযোগত আচামীৰ নাম প্ৰকাশ নকৰা – দণ্ডাধীশলৈ বিশেষ প্ৰতিবেদন প্ৰেৰণ কৰাত পলম হোৱা – সন্দেহৰ লাভালাভ আচামীক দিব পাৰি – অস্ত্ৰ আইন, ১৯৫৯ৰ ধাৰা ২৫, ২৭ আৰু টাডা আইনৰ ধাৰা ৬।*

**আপীলকাৰীৰ বিৰুদ্ধে এইটো অভিযোগ উত্থাপন কৰা হৈছিল যে 1986 চনৰ 26 জুলাইৰ পুৱা প্ৰায় 9 বজাত আপীলকাৰীয়ে ভুক্তভোগীগৰাকীক দুজন চাক্ষুষ সাক্ষীৰ উপস্থিতিত ছুৰিৰে দুটা আঘাত- এটা বুকুৰ বাওঁফালে আৰু আনটো পেটত - কৰিছিল আৰু উক্ত সাক্ষী দুজনে ভুক্তভোগীগৰাকীক চিকিৎসালয়লৈ লৈ গৈছিল য'ত তেওঁক চিকিৎসকে পৰীক্ষা কৰিছিল আৰু এই বুলি প্ৰমাণপত্ৰ দিছিল যে ভৰ্তি কৰাৰ সময়ত ভুক্তভোগীজন সম্পূৰ্ণৰূপে সজ্ঞানে আছিল। চিকিৎসা-আইনী প্ৰতিবেদনত তেওঁৰ দেউতাকৰ নাম, ঠিকনা, বৃত্তি আৰু তেওঁ কেনেদৰে আঘাত পাইছিল সেই সম্পৰ্কে এটা বিৱৰণ আছিল। এজন সহকাৰী উপ-পৰিদৰ্শকয়ে ২:৪০ বজাত চিকিৎসালয়ত গোচৰীয়া পক্ষৰ ১০ নং সাক্ষীৰ জবানবন্দী লৈছিল আৰু ইয়াক এফ. আই. আৰ. হিচাপে গণ্য কৰা হৈছিল আৰু ৩০৭ ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰা হৈছিল। পিছদিনা পুৱা প্ৰায় ১১:৩০ বজাত ব্যক্তিজনৰ মৃত্যু হয় আৰু তেওঁৰ মৃত্যুৰ পিছত গোচৰটো ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৭লৈ ৰূপান্তৰিত কৰা হয় আৰু তাৰ পিছতহে বিশেষ প্ৰতিবেদন দণ্ডাধীশলৈ প্ৰেৰণ কৰা হয়। আচামীৰ বিৰুদ্ধে বেআইনীভাৱে স্প্ৰিংযুক্ত ছুৰী লগত ৰখা আৰু ব্যৱহাৰ কৰাৰ বাবে টাডা আইনৰ ৬ নং ধাৰাৰ লগতে অস্ত্ৰ আইন ১৯৫৯ৰ ধাৰা ২৫ আৰু ২৭ৰ অধীনত দোষাৰোপন কৰা হৈছিল।**

বিশেষ আদালতে, প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি আচামীজনক দোষী সাব্যস্ত কৰা হয় যাৰ বিৰুদ্ধে এই আপীলটো এই আদালতত উত্থাপন কৰা হৈছে।

আপীল মঞ্জুৰ কৰি দি এই আদালতে ৰায় দিয়ে যে,

১.১ যদিও দৃশ্যত প্ৰত্যক্ষদৰ্শী দুজনক অবিশ্বাস কৰাৰ কোনো কাৰণ নাই, তথাপিও কিছুমান অন্তৰ্নিহিত পৰিস্থিতি আছে যাৰ বাবে যুক্তিসংগত সন্দেহৰ পৰা ওপজা লাভালাভটো আপীলকাৰীক দিব পাৰি।

১.২. বিচাৰ বিভাগৰ মতে, আঘাত পোৱাৰ পিছতেই ভুক্তভোগীক তৎক্ষণাত চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু তাত তেওঁক পৰীক্ষা কৰা হয় আৰু এটা চিকিৎসা-আইনী প্ৰতিবেদন প্ৰস্তুত কৰা হয় য'ত আক্ৰমণকাৰীৰ নামৰ বাহিৰে ভুক্তভোগীৰ পিতৃ-মাতৃ, বৃত্তি, আৰু তেওঁ আঘাত কেনেকৈ পাইছিল তাৰ সকলো বিৱৰণ সন্নিবিষ্ট কৰা হয়। এইটো স্পষ্ট যে এই বিৱৰণবোৰ ভুক্তভোগীয়ে নিজেই বা উপস্থিত প্ৰত্যক্ষদৰ্শীয়ে দিছিল। বিষয়টোৰ এই দৃষ্টিভংগীত আশা কৰা হৈছিল যে যদিহে আপীলকাৰীজন সঁচাকৈয়ে আক্ৰমণকাৰী আছিল, তেন্তে তেওঁৰ নাম তেওঁলোকৰ সকলোৱে বা যিকোনো এজনে প্ৰকাশ কৰিলেহেঁতেন। এইটো বৈধভাৱে অনুমান কৰিব পাৰি যে আটাইতকৈ আগতীয়াকৈ উপলব্ধ সুযোগত আপীলকাৰীৰ নাম প্ৰকাশ কৰা হোৱা নাছিল।

১.৩. গোচৰটোৰ পঞ্জীয়নৰ সন্দৰ্ভত ঘটনা সংঘটিত হোৱাৰ দিনা কোনো বিশেষ প্ৰতিবেদন দণ্ডাধীশলৈ প্ৰেৰণ কৰা হোৱা নাছিল আৰু ১৯৮৬ চনৰ ২৭ জুলাইত ভুক্তভোগীৰ মৃত্যু হোৱাৰ ফলত ৩০২ নং ভাৰতীয় দণ্ডবিধিৰ অধীনত গোচৰটো এটালৈ ৰূপান্তৰিত হোৱাৰ পিছতহে বিশেষ প্ৰতিবেদনত দণ্ডাধীশলৈ প্ৰেৰণ কৰা হৈছিল যিটো দণ্ডাধীশৰ কাৰ্যালয়ে ৰাতি ১০ বজাত পাইছিল। এই চকুত পৰা পৰিস্থিতিয়ে ইংগিত দিয়ে যে ভুক্তভোগীৰ মৃত্যুৰ আগলৈকে এফআইআৰ দাখিল কৰা হোৱা নাছিল আৰু ১৯৮৬ চনৰ ২৬ জুলাইত এফআইআৰ লিপিবদ্ধ হোৱা বুলি কোৱা বিচাৰ বিভাগৰ উক্তিটো সঁচা নহয়।

ফৌজদাৰী অধিকাৰক্ষেত্ৰ: ফৌজদাৰী আপীল নং ৪৪৬/১৯৮৭।

হাৰিয়ানাৰ ৰোহটক অৱস্থিত বিশেষ আদালতে সত্ৰ আদালত গোচৰ নং ৫৫০/১৯৮৬ ত প্ৰদান কৰা ২৬/৭/৮৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা এই আপীল উত্থাপন হৈছে।

আপীলকাৰীৰ হৈ শ্ৰীমতী ৰজনী আনন্দ (এ চি)।

প্ৰতিপক্ষৰ হৈ প্ৰেম মালহোত্ৰা।

**ন্যায়াধীশ এম কে মুখাৰ্জী ডাঙৰীয়াই** আদালতৰ ৰায়দান কৰে।

এই আপীলৰ জৰিয়তে ৰোহটক অৱস্থিত বিশেষ আদালতে সত্ৰ আদালত গোচৰ নং ৫৫০/১৯৮৬ আৰু অস্ত্ৰ আইন গোচৰ নং ৫৫১/১৯৮৬ত ৩০ মে, ১৯৮৭ তাৰিখত আপীলকাৰী দেৱিন্দৰ @পাপ্পীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২, অস্ত্ৰ আইন, ১৯৫৯-ৰ ধাৰা ২৫ আৰু ২৭ৰ লগতে সন্ত্ৰাসবাদী আৰু ব্যাঘাতমূলক কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৮৫(সংক্ষেপে 'টাডা')-ৰ ধাৰা ৬ৰ অধীনত দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা ৰায় আৰু আদেশক আবেদনত প্ৰত্যাহ্বান জনোৱা হৈছে।

২) গোচৰীয়া পক্ষৰ গোচৰটো চমুকৈ তলত দিয়া ধৰণে :

(ক) ৰামফল (মৃত) ৰোহটক চহৰৰ জনতা কলনীত থকা নিজৰ দোকান তথা ঘৰত শাক-পাচলি বিক্ৰী কৰিছিল। ১৯৮৬ চনৰ ২৬ জুলাইত পুৱা প্ৰায় ৯ বজাত আপীলকাৰীয়ে নিজৰ দোকানলৈ গৈত শাক-পাচলি বাকীত বিচাৰে। ৰামফলে আপীলকাৰীক কয় যে যিহেতু তেওঁ পূৰ্বৰ পাবলগীয়া বাকী পৰিশোধ কৰা নাই সেয়েহে তেওঁ তেওঁক আৰু বাকী দিব নোৱাৰে। যিহেতু ৰামফলে আন দুজন যথা জগদীশ (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) আৰু সতবীৰ সিং (গোচৰীয়া পক্ষৰ ১১ নং সাক্ষী) সাক্ষাতত বাকী দিবলৈ অস্বীকাৰ কৰে, আপীলকাৰীয়ে অপমানিত অনুভৱ কৰি হুমুনিয়াহ কাঢ়ি তাৰ পৰা গুচি যায়।

(খ) ইয়াৰ প্ৰায় বিশ মিনিট পিছত আপীলকাৰীয়ে ছুৰি লৈ উভতি আহি কয় যে তেওঁ তেওঁক (ৰামফলক) আনৰ উপস্থিতিত তেওঁক অপমান কৰাৰ বাবে এটা উচিত শিক্ষা দিব। তেতিয়া ৰন্ধা-বঢ়া কৰি থকা ৰামফলে থিয় হৈ পলাবলৈ চেষ্টা কৰে। কিন্তু তেওঁ এই প্ৰচেষ্টাত সফল হ'ব নোৱাৰিলে আৰু আপীলকাৰীয়ে তেওঁক

ছুৰিৰে দুটা আঘাত কৰে - এটা বুকুৰ বাওঁফালে আৰু আনটো পেটত। তেতিয়া তাত উপস্থিত থকা জগদীশ আৰু সাতবীৰ সিংৰ লগতে তাত আকস্মিকভাৱে উপস্থিত হোৱা উমেছ নামৰ ব্যক্তিজনে এই আক্ৰমণ দেখা পাইছিল।

(গ) তাৰ পিছত জগদীশ আৰু উমেশে ৰামফলক ৰিক্সাত লৈ ৰোহটকৰ মেডিকেল কলেজ হাস্পতাললৈ লৈ যায় য'ত ডাঃ সুশীল কুমাৰ জৈন (গোচৰীয়া পক্ষৰ ৫ নং সাক্ষী) প্ৰথমে তেওঁক পৰীক্ষা কৰে। পৰীক্ষাৰ অন্তত ডাঃ জৈনে চিকিৎসালয়খনৰ লগত সংলগ্ন আৰক্ষী চকীলৈ চিকিৎসা-আইনী প্ৰতিবেদন (প্ৰদৰ্শক- পি.এচ.) আৰু ৰুক্কা (প্ৰদৰ্শক- পি.ডি.) পঠিয়ায় আৰু উক্ত আৰক্ষী চকীৰ কনিষ্টবল মংগল সিঙে (গোচৰীয়া পক্ষৰ ১ নং সাক্ষী) দিনৰ ১:৪৫ বজাত দৈনিক পঞ্জীত এই সংক্ৰান্তে এটা দৰজ দিয়ে(প্ৰদৰ্শক -পি.ই.)।

(ঘ) ইয়াৰ মাজতে, দিনৰ ১১.৩০ বজাত চিটি আৰক্ষী থানা, ৰোহটকে ওপৰৰ আৰক্ষী চকীৰ পৰা ৰামফলে আঘাত পাই চিকিৎসালয়ত ভৰ্তি হোৱাৰ বিষয়ে ফোনযোগে এটা বাৰ্তা লাভ কৰে আৰু সেই বাৰ্তাটো দৈনিক পঞ্জীত (প্ৰদৰ্শক- পি. এফ.) লিপিবদ্ধ কৰাৰ পিছত সহকাৰী উপ-পৰিদৰ্শক টোটা ৰাম (গোচৰীয়া পক্ষৰ ১২ নং সাক্ষী) চিকিৎসালয়লৈ ৰাওনা হয়। তাত উপস্থিত হৈ তেওঁ জগদীশক তাত পায় আৰু তেওঁৰ বক্তব্য (প্ৰদৰ্শক- পি. জেদ.) দিনৰ ২:৪০ বজাত লিপিবদ্ধ কৰে যিটোক এফ আই আৰ হিচাপে গণ্য কৰা হৈছিল। গোচৰ পঞ্জীয়নৰ বাবে থানালৈ উক্ত বক্তব্যটো প্ৰেৰণ কৰাৰ পিছত টোটা ৰামে তদন্তৰ কাম হাতত লৈ সেই ঘটনাস্থলীলৈ যায়। তেওঁ এটা মোটামুটি মানচিত্ৰ প্ৰস্তুত কৰি জগদীশ আৰু সাতবীৰৰ উপস্থিতিত তাৰ পৰা কিছু তেজলগা মাটি জব্দ কৰে।

(ঙ) চিকিৎসালয়ত চিকিৎসালয়ৰ ভিতৰৰ ৰোগী হিচাপে ভৰ্তি হোৱা ৰামফলৰ আঘাতৰ বাবে ডাঃ প্ৰদীপ কুমাৰে (গোচৰীয়া পক্ষৰ ৭ নং সাক্ষী) অস্ত্ৰোপচাৰ কৰিছিল যদিও পিছদিনা অৰ্থাৎ ২৭.১৯৯৬ চনৰ ২৭ জুলাইৰ পুৱা ১১.৩০ বজাত তেওঁৰ মৃত্যু হয়।

। সেই তথ্য লাভ কৰাৰ লগে লগে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০৭ৰ অধীনত পূৰ্বে আপীলকাৰীৰ বিৰুদ্ধে পঞ্জীয়ন কৰা গোচৰটো ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ লৈ ৰূপান্তৰ কৰা হয় আৰু স্থানীয় দণ্ডাধীশলৈ এটা বিশেষ প্ৰতিবেদন (প্ৰদৰ্শক পি. এইচ.) প্ৰেৰণ কৰা হয়। সহকাৰী উপ-পৰিদৰ্শক টোটা ৰাম তেতিয়া চিকিৎসালয়লৈ যায় আৰু ৰামফলৰ মৃতদেহটোৰ ওপৰত চুৰৎহাল প্ৰস্তুত কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠায় আৰু ডাঃ এম. কে. বিষ্ণই (গোচৰীয়া পক্ষৰ ৯নং সাক্ষী) মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰে।

(চ) তদন্তৰ কালছোৱাত আপীলকাৰীক ১৯৮৬ চনৰ ২৯ জুলাইত গ্ৰেপ্তাৰ কৰা হয় আৰু ৩১ জুলাইত টোটা ৰামে দিয়া জবানবন্দী (প্ৰদৰ্শক পি. ই.)ৰ ভিত্তিত ৰোহটকত অৱস্থিত হনুমান উদ্যানৰ দক্ষিণ সীমা দেৱালৰ ফালে এটা নিৰ্জন ঠাইত ইটাৰ তলত লুকুৱাই থোৱা অৱস্থাৰ পৰা স্প্ৰিংযুক্ত ছুৰি জগদীশ (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) আৰু দয়া চান্দৰ উপস্থিতিত উদ্ধাৰ কৰা হয়। ছুৰি খন উদ্ধাৰ হোৱাৰ পিছত অস্ত্ৰ আইন ১৯৫৯ৰ লগতে টাডাৰ আইনৰ ৬ নং ধাৰাৰ অধীনত আপীলকাৰীৰ বিৰুদ্ধে এক সুকীয়া গোচৰ ৰুজু কৰা হয়।

(ছ) সেই ঠাইৰ পৰা উদ্ধাৰ হোৱা তেজ লগা মাটি, ৰামফলৰ মৃতদেহৰ পৰা খোলা এটা চোলা আৰু আপীলকাৰীৰ জবানবন্দীৰ ভিত্তিত উদ্ধাৰ কৰা ছুৰিখন মধুবনস্থিত ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰ (এফ.এছ.এল.) ৰাসায়নিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয় আৰু এই পৰীক্ষাত সেই সকলোবোৰ বস্তুতে তেজ ধৰা পৰিছিল। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত সহকাৰী উপ-পৰিদৰ্শক টোটা ৰামে আপীলকাৰীৰ বিৰুদ্ধে দুখন পৃথক অভিযোগনামা দাখিল কৰে- এটা ভাৰতীয় দণ্ডবিধি আইন ধাৰা ৩০২ৰ অধীনত ১৯৮৬ চনৰ ২৬ জুলাইত ৰামফলক হত্যা কৰাৰ বাবে আৰু আনটো অস্ত্ৰ আইন, ১৯৫৯ৰ ধাৰা ২৫ আৰু ২৭ৰ লগতে টাডা আইনৰ ধাৰা ৬ৰ অধীনত অবৈধভাৱে স্প্ৰিংযুক্ত ছুৰি ৰখা আৰু ব্যৱহাৰ কৰাৰ বাবে।

৩) ওপৰৰ অভিযোগনামাৰ পৰা উদ্ভৱ হোৱা দুটা গোচৰ একেলগ কৰি বিচাৰ কৰা হৈছিল আৰু ওপৰত উল্লেখ কৰা ধৰণে বিবাদিত ৰায়দানৰ দ্বাৰা নিষ্পত্তি কৰা হৈছিল।

৪) আপীলকাৰীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগটো অস্বীকাৰ কৰে আৰু তেওঁ তেওঁৰ আত্মপক্ষৰ সমৰ্থনত কয় যে জগদীশ আৰু ৰামফলৰ পৰামৰ্শমতে তেওঁক গোচৰটোত মিছাকৈ জড়িত কৰা হৈছিল কিয়োনো ৰামফলৰ হত্যাৰ তিনিদিন আগতে জগদীছৰ আৰু উমেশে মদ খাই নিজৰ স্থানীয় অঞ্চলত কৰা অসৎ আচৰণৰ বাবে তেওঁৰ হৈতে তেওঁলোকৰ কাজিয়া হৈছিল ।

৫) নিজ নিজ গোচৰৰ সমৰ্থনত বিচাৰ বিভাগে বাৰজন সাক্ষী লগতে আপীলকাৰীৰ আত্মপক্ষৰ সমৰ্থনত এজন সাক্ষী পৰীক্ষা কৰিছিল।

৬) আপীলকাৰীৰ বিৰুদ্ধে উত্থাপিত হত্যাৰ অভিযোগ বজাই ৰাখিবলৈ বিচাৰ বিভাগে নিজৰ গোচৰটো মূলতঃ প্ৰত্যক্ষদৰ্শী জগদীশ (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) আৰু সাতবীৰ (গোচৰীয়া পক্ষৰ ১১ নং সাক্ষী)ৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। বিচাৰ আদালতে তেওঁলোকক আটাইতকৈ সম্ভাব্য আৰু স্বাভাৱিক সাক্ষী বুলি বিবেচনা কৰে আৰু যিহেতু তেওঁলোকৰ সাক্ষ্যক চিকিৎসকে দিয়া সাক্ষ্যই যথেষ্ট সমৰ্থন কৰিছে আৰু আপীলকাৰীৰ জবানবন্দীৰ ভিত্তিত ছুৰি উদ্ধাৰ হোৱা, আৰু ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰৰ প্ৰতিবেদনে আপীলকাৰীক তেওঁৰ বিৰুদ্ধে উত্থাপিত দুয়োটা অভিযোগৰ বাবে দোষী সাব্যস্ত কৰে।

৭) নথিত উপলব্ধ সমগ্ৰ সাক্ষ্য-প্ৰমাণবোৰ সযতনে চাই আমি বিবাদিত ৰায়দানটো বাহাল ৰাখিব পৰা নাই। যদিও আপাত দৃষ্টিত প্ৰত্যক্ষদৰ্শী দুজনক অবিশ্বাস কৰাৰ কোনো থল নাই, তথাপিও কিছুমান অন্তৰ্নিহিত পৰিস্থিতি আছে যিয়ে আমাক আপীলকাৰীক যুক্তিসংগত সন্দেহৰ সুবিধা দিবলৈ বাধ্য কৰে। বিচাৰ পক্ষৰ হৈ জগদীছে দিয়া সাক্ষ্য অনুসৰি আঘাত কৰা পিছতেই তেওঁ (জগদীশ) আৰু উমেশে (পৰীক্ষা কৰা হোৱা নাই)ৰামফলক চিকিৎসালয়লৈ লৈ যায় আৰু তেওঁলোক আক্ৰমণৰ সময়ত তাত উপস্থিত আছিল। ডাঃ জৈনে সাক্ষ্য দিছিল যে ভৰ্তিৰ সময়ত ৰামফল সম্পূৰ্ণ সজ্ঞানে আছিল আৰু তেওঁৰ ৰক্তচাপ আৰু নাড়ীভুৰু স্বাভাৱিক আছিল। ডাক্তৰে ৰামফল পৰীক্ষা কৰি আৰক্ষীলৈ পঠোৱা চিকিৎসা-আইন প্ৰতিবেদন (প্ৰদৰ্শক- পি. এচ.)ৰ পৰা আমি দেখিবলৈ পাওঁ যে ৰামফলৰ নামৰ বাহিৰেও তেওঁৰ পিতৃৰ নাম, তেওঁৰ ঠিকনা, তেওঁৰ বৃত্তি আৰু আঘাত কেনেকৈ হৈছিল তাৰ সবিশেষ সন্নিৱিষ্ট আছে। স্পষ্টভাৱে এই সকলোবোৰ বিৱৰণ ৰামফল নিজে আৰু/বা তেওঁৰ লগত যোৱা জগদীশ আৰু উমেশে দিছিল। সেই প্ৰসংগত

আশা কৰা হৈছিল যে যদি সঁচাকৈয়ে আপীলকাৰীজনেই আক্ৰমণকাৰী আছিল, তেন্তে আঘাতৰ কাৰণ দাখিল কৰাৰ সময়ত তেওঁৰ নাম তেওঁলোকৰ সকলোৱে বা যিকোনো এজনে প্ৰকাশ কৰিব লাগিছিল। সেয়েহে বৈধভাৱে এইটো অনুমান কৰিব পাৰি যে আটাইতকৈ আগতীয়াকৈ উপলব্ধ সুযোগত আপীলকাৰীৰ নাম প্ৰকাশ কৰা হোৱা নাছিল।

৮) অৱশ্যে প্ৰতিপক্ষৰ হৈ হাজিৰ হোৱা মালহোত্ৰা ডাঙৰীয়াই যুক্তি দিয়ে যে যিহেতু জগদীশে তৎক্ষণাত এফ. আই. আৰ. দাখিল কৰিছিল, য'ত তেওঁ আক্ৰমণকাৰী হিচাপে আবেদনকাৰীৰ নাম উল্লেখ কৰিছিল, সেয়েহে আক্ৰমণকাৰীৰ নাম লিপিবদ্ধ কৰিবলৈ আইনীভাৱে বাধ্য নোহোৱা চিকিৎসকজনৰ আগত আবেদনকাৰীৰ নাম প্ৰকাশ নকৰা কথাটো গুৰুত্বপূৰ্ণ নহয়। যদি এফ. আই. আৰ. থন দিনৰ ২:৪০ বজাত(১৯৮৬ চনৰ ২৬ জুলাইত) নথিভুক্ত কৰৰ হৈছিল, সেই অনুসৰি আমি হয়তো  মলহোত্ৰা ডাঙৰীয়াৰ যুক্তি মানি লব পাৰোঁ কিন্তু আচৰিত কথাটো হ'ল যে সেইদিনা গোচৰটোৰ পঞ্জীয়নৰ সন্দৰ্ভত কোনো বিশেষ প্ৰতিবেদন দণ্ডাধীশলৈ প্ৰেৰণ কৰা হোৱা নাছিল আৰু ১৯৮৬ চনৰ ২৭ জুলাইত ভুক্তভোগীৰ মৃত্যু হোৱাৰ ফলত ৩০২ নং ভাৰতীয় দণ্ডবিধিৰ অধীনত গোচৰটো এটালৈ ৰূপান্তৰিত হোৱাৰ পিছতহে বিশেষ প্ৰতিবেদনত দণ্ডাধীশলৈ প্ৰেৰণ কৰা হৈছিল যিটো দণ্ডাধীশৰ কাৰ্যালয়ে ৰাতি ১০ বজাত পাইছিল। এই চকুত পৰা পৰিস্থিতিয়ে ইংগিত দিয়ে যে ভুক্তভোগীৰ মৃত্যুৰ আগলৈকে এফ.আই.আৰ. দাখিল কৰা হোৱা নাছিল আৰু ১৯৮৬ চনৰ ২৬ জুলাইত এফআইআৰ লিপিবদ্ধ হোৱা বুলি কোৱা বিচাৰ বিভাগৰ উক্তিটো সঁচা নহয়।।

৯) পূৰ্বৰ আলোচনাৰ বাবে আদালতৰ সন্মুখত দাখিল কৰা বিচাৰ্য্য গোচৰটো গ্ৰহণ কৰিব নোৱাৰি। আমি, সেয়েহে, এই আপীলৰ মঞ্জুৰ কৰি আপীলকাৰীক দোষী সাব্যস্ত কৰা আৰু শাস্তি প্ৰদান কৰা ৰায়ক বাতিল কৰি তেওঁক দোষমুক্ত কৰি দিলোঁ। কাৰাগাৰত থকা আপীলকাৰীক আন কোনো গোচৰ সংক্ৰান্তে জেলত ৰাখিবলগীয়া নহ'লে তৎক্ষণাত মুকলি কৰি দিয়া হওক।

এইচ. কে. আপীল মঞ্জুৰ কৰা হ'ল।

অনুবাদক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক